


# এখন ছবি, অলপ চিন্তা…

চলচ্চিত্ৰ | জিতুমণি পাঠক

নব্বৈ দশকৰ প্ৰাৰম্ভণিতে মুম্বাইত ঘটা সাম্প্ৰদায়িক সংঘৰ্ষত বহুতো জীৱনে তাৰ স্বাভাৱিক ছন্দ হেৰুৱাই পেলাইছিল। সময়ৰ লগে লগে বাহিৰৰ ধুমুহাজাকে শাম কাটিছিল যদিও শাম কটা নাছিল ধুমুহাজাকে বিধ্বস্ত কৰি নিয়া জীৱনবোৰৰ হৃদয়ৰ ভিতৰত বলা ধুমুহাজাক। তেনে এক অশান্ত ঘূৰ্ণীক বুকুৰ মাজত সামৰি এটি কিশোৰ আহি যৌৱনৰ দুৱাৰডলিত ভৰি দিছিল। সমাজ, সামাজিক ব্যৱস্থা সকলোৰে প্ৰতি আস্থা হেৰুৱাই পেলোৱা এই সদ্য যৌৱনপ্ৰাপ্ত যুৱকে নিজৰ মনৰ ভিতৰত বৈ থকা এই অশান্ত বতাহজাকক শান্ত কৰিবলৈ বুলিয়েই এটা উগ্ৰপন্থী সংগঠনৰ সদস্য হৈ পৰিছিল। সপোন দেখিছিল ইয়াৰ জৰিয়তে সমাজলৈ এক পৰিৱৰ্তন কঢ়িয়াই অনাৰ। কিন্তু কিছুদিন পিছতে সেই যুৱকৰ মোহভংগ ঘটিছিল। ডাঙৰ ডাঙৰ সংগঠনবোৰে দেখুওৱা সপোনবোৰ আৰু কাৰ্যক্ষেত্ৰত ইয়াৰ সাৰমৰ্মহীনতাক অনুধাৱন কৰি অতি কম সময়ৰ ভিতৰতে সেই যুৱক ওভতি আহিছিল নিজৰ বাস্তৱ জগতখনলৈ। ভাবিছিল আৰম্ভ কৰিব স্বাভাৱিক জীৱন পৰিক্ৰমা। কিন্তু যুৱকে ভবাৰ দৰে নিয়তিয়ে তেওঁৰ বাবে এক সুন্দৰ ভৱিষ্যতৰ সোপান তৈয়াৰ কৰি থোৱা নাছিল। ঘৰৰ ল'ৰাক ঘৰলৈ ওভতি আহিব নিদি লৈ যোৱা হৈছিল পুলিচ আৰেষ্টনীৰ মাজলৈ, য'ত আৰম্ভ হৈছিল এক দীৰ্ঘদিনীয়া শাৰীৰিক আৰু মানসিক উৎপীড়ন। শাৰীৰিক, মানসিকভাৱে কোঙা কৰি সেই যুৱকক এইবাৰ নিক্ষেপ কৰা হ'ল তিহাৰ জেললৈ, য'ত বিনা বিচাৰে তেওঁ কটাবলগীয়া হ'ল জীৱনৰ সাতটা বহুমূলীয়া বছৰ। অৱশেষত উচ্চতম ন্যায়ালয়ত যুৱকে নিজকে নিৰপৰাধ বুলি প্ৰমাণ কৰিবলৈ সক্ষম হ'ল আৰু ওভতি আহিল নিজৰ ঘৰখনলৈ আৰু আপোন মানুহখিনিৰ মাজলৈ।

শ্বাহিদ আজমী নামৰ এগৰাকী যুৱকৰ জীৱনত ঘটা এই সত্য ঘটনাৰ আলম লৈ নিৰ্মাতা হংসল মেহতাই নিৰ্মাণ কৰি উলিয়াইছে এখন জীৱনভিত্তিক ছবি— শ্বাহিদ। শ্বাহিদ হৈছে মানৱীয়তাৰে সংপৃক্ত এক কাহিনীৰ সৈতে নৈতিক; মানসিক তথা ৰাজনৈতিক যুঁজৰ এক সফল চিত্ৰণ। প্ৰথমবাৰৰ বাবে এই ছবিখনৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল টৰেণ্টো চলচ্চিত্ৰ মহোৎসৱত; য'ত এই ছবিখনে সকলোৰে পৰা যথেষ্ট সমাদৰ লাভ কৰিছিল। এই ছবিখনৰ জৰিয়তে ৰাষ্ট্ৰযন্ত্ৰৰ ন্যায় বিচাৰ প্ৰক্ৰিয়াৰ লেহেমীয়া গতিৰ চিকাৰ হৈ বহু নিৰপৰাধে কোনোবা অন্ধকাৰ চুকত কিদৰে জীৱনৰ বহুমূলীয়া সময় অবাবতে হেৰুৱাব লগা হৈছে তেনে এক সংবেদনশীল বিষয়ক অতি সংবেদনশীলতাৰে তেওঁ শ্বাহিদত অৱতাৰণা কৰিছে। এনে এক ছিষ্টেমৰ বলি হৈ যিকোনো লোকে সাধাৰণতে পুনৰ বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনাই অধিক। যিকোনো বলীউডী চিনেমাত এনে ঘটনাক্ৰমে সাধাৰণতে তেনে দিশেই গতি কৰা দেখা যায়। কিন্তু বাস্তৱৰ নায়ক শ্বাহিদ আজমী যেন বলীউডী চিনেমাৰ নায়কতকৈ অধিক শক্তিশালী আছিল। ইমানখিনিৰ পিছতো তেওঁ হেৰুৱাই পেলোৱা নাছিল দেশৰ ন্যায় ব্যৱস্থাৰ প্ৰতি আস্থা তথা বিশ্বাস। তেওঁ বিশ্বাস কৰিছিল



পৰিচালক হংসল মেহতা





চাপে অপশক্তিবোৰৰ কাঠামোত কঁপনিৰ সৃষ্টি কৰিছিল। শ্বাহিদৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আৰু কেতবোৰ শ্বাহিদৰ যদি জন্ম হয় তেন্তে তেওঁলোকৰ সাম্ৰাজ্যত ভেটি যে উছন পৰিবলৈ বেছিদিন নালাগিব তাকে অনুধাৱন কৰি এই অপশক্তিসমূহ সক্ৰিয় হৈ পৰিল। ২০১০ চনৰ এটি দিনত যেতিয়া শ্বাহিদ নিজৰ অফিচত ব্যস্ত আছিল সেইদিনাখনেই হাতত বন্দুক লৈ তিনিজন অজ্ঞাত আততায়ীৰ তেওঁৰ কোঠাত প্ৰৱেশ ঘটিছিল। কিবা অনুমান কৰিব পৰাৰ আগেয়ে সিহঁতবোৰৰ বন্দুকবোৰে গৰজি উঠিছিল আৰু নিজ অফিচ কক্ষতে ধৰাশায়ী হৈ পৰিছিল এটি আদৰ্শৰ। মাত্ৰ ৩২ বছৰ বয়সত ভৰি দিয়া এজন যুৱকৰ স্বপ্নক পদদলিত কৰি সেই তিনিজনীয়া ঘাতকৰ দলটোৱে প্ৰস্থান কৰিছিল তাৰ পৰা সকলোৰে চকুৰ আগেৰে।

হংসল মেহতাৰ 'শ্বাহিদ' হৈছে এগৰাকী প্ৰকৃত মানৱপ্ৰেমীলৈ হৃদয়ৰ অন্তঃস্থলৰপৰা জনোৱা শ্ৰদ্ধা আৰু সন্মানৰ নিদৰ্শন। মেহতাৰ সমগ্ৰ ছবিত প্ৰতিফলিত হৈছে শ্বাহিদ আজমী নামৰ যুৱকজনৰ অসামান্য সাহস তথা ইতিবাচক ভাৱধাৰাৰ নিৰ্যাস। মেহতাৰ মতে এয়া অতি আশ্বৰ্যকৰ কথা যে যি আইনী ব্যৱস্থাই শ্বাহিদ আজমী নামৰ যুৱকজনৰ জীৱনটোকেই খেলিমেলি কৰি পেলাইছিল, সেই আইনী ব্যৱস্থাৰ প্ৰতি এই যুৱকজনে কিদৰে এনে গভীৰ আস্থা প্ৰদৰ্শন কৰিব পাৰিছিল। শ্বাহিদৰ মাজত থকা এই অসাধাৰণ ইতিবাচক দিশটো যিকোনো লোকৰ বাবে অতিকে প্ৰেৰণাদায়ক। শ্বাহিদে আৰম্ভ কৰা


হৈছে জেলৰ চাৰিবেৰৰ মাজত। এই যুৱকসকলৰ ভৱিষ্যতক লৈ কিছুদিন পূৰ্বে এক বিতৰ্কৰ সূত্ৰপাত হৈছিল য'ত দেশৰ গৃহমন্ত্ৰী সুশীল কুমাৰ সিন্দেই অনতি পলমে এনেদৰে বিনা বিচাৰে বন্দী হৈ থকা নিৰপৰাধ ব্যক্তিসকলক ন্যায় প্ৰদান কৰা হ'ব বুলি আশ্বাস দিছিল। কিন্তু কাৰ্যতঃ সেয়া ৰূপায়ণ হ'বলৈ কিমান দিন লাগে সেয়া সময়েহে ক'ব। আমাৰ দৰে এখন গণতান্ত্ৰিক দেশত য'ত ন্যায়িক ব্যৱস্থাই এজন নিৰপৰাধ লোকে শাস্তি পোৱাতকৈ দহজন অপৰাধী সাৰি যোৱাটোকে পোষকতা কৰে তাত এনেদৰে দিনৰ পিছত দিন ধৰি বহু নিৰপৰাধে অনাহকত শাস্তি ভোগ কৰি থাকিবলগীয়াটো অতিকে পৰিতাপৰ কথা। তদুপৰি যিসকলে ইয়াৰ সপক্ষে মাত মাতিবলৈ ওলাই আহে তেওঁলোককো শক্তি প্ৰদৰ্শনেৰে নিশ্চুপ কৰি দিব বিচৰাটো অতিকে গৰিহণাযোগ্য। হংসল মেহতাই তেওঁৰ ছবিত শ্বাহিদৰ মৃত্যুৰেই সেইবাবে কাহিনীৰ অন্ত পেলাব খোজা নাই। ছবিৰ শেষ দৃশ্যত দেখা গৈছে শ্বাহিদৰ আধৰুৱা কেছটোক লৈ ক'ৰ্টত উপস্থিত হৈছে শ্বাহিদৰে এগৰাকী সহকৰ্মী ৰাম। ন্যায় প্ৰতিষ্ঠাৰ সংগ্ৰাম কেতিয়াও স্তব্ধ নহয়— এনে এক ইতিবাচক বাৰ্তাৰে মেহতাই তেওঁৰ ছবিৰ সমাপ্তি ঘটাইছে। সঁচাকৈয়ে আজি সমাজত প্ৰয়োজন হৈছে এনে বহুতো শ্বাহিদৰ, যিয়ে হেজাৰ নেতিবাচক দিশকো অতিক্ৰমি যোগাত্মক ভাৱধাৰাৰে মানৱতাৰ সেৱাত নিজকে উৎসৰ্গিত কৰিব পাৰে।

**ভাৰতত ন্যায় প্ৰদানৰ গতি লেহেমীয়া হ'ব পাৰে, কিন্তু অধিক সময় ল'লেও ই সদায় সত্যকে উন্মোচিত কৰি আহিছে। খুঁত ইয়াৰ ন্যায়িক ব্যৱস্থাত নাই, খুঁত আছে ইয়াৰ প্ৰশাসনিক কাম-কাজত। শ্বাহিদে অনুভৱ কৰিছিল— এনে এক সঠিক ন্যায়িক ব্যৱস্থাক তড়িৎ গতি প্ৰদান কৰিবলৈ দায়িত্ব ল'ব লাগিব সমাজৰ সকলোৱে।**



ভাৰতত ন্যায় প্ৰদানৰ গতি লেহেমীয়া হ'ব পাৰে, কিন্তু অধিক সময় ল'লেও ই সদায় সত্যকে উন্মোচিত কৰি আহিছে। খুঁত ইয়াৰ ন্যায়িক ব্যৱস্থাত নাই, খুঁত আছে ইয়াৰ প্ৰশাসনিক কাম-কাজত। শ্বাহিদে অনুভৱ কৰিছিল— এনে এক সঠিক ন্যায়িক ব্যৱস্থাক তড়িৎ গতি প্ৰদান কৰিবলৈ দায়িত্ব ল'ব লাগিব সমাজৰ সকলোৱে। জেলৰ নিঃসংগ কুঠৰীত শ্বাহিদৰ এই বিশ্লেষণাত্মক অনুধাৱনে তেওঁক পূৰ্বৰ ভুল-ত্ৰুটিবোৰ আঁতৰাই এক সঠিক সুস্থ পথ ল'বলৈ অনুপ্ৰাণিত কৰিছিল আৰু জন্ম হৈছিল এজন নতুন শ্বাহিদৰ।

জেলত থকা সময়ছোৱাত শ্বাহিদে নিজৰ ডিগ্ৰী সমাপ্ত কৰি ভৱিষ্যৎ জীৱনৰ স্বপ্নক সঠিক গতিপথ দিবলৈ আৰম্ভ কৰিছিল আইনৰ অধ্যয়ন। জেলৰ পৰা ওলাই আইনৰ ডিগ্ৰী সমাপ্ত কৰি এজন জ্যেষ্ঠ অধিবক্তাৰ ওচৰত তেওঁ প্ৰেক্টিচ আৰম্ভ কৰে। কিন্তু ন্যায়িক ব্যৱস্থাৰ নামত চলা নৈতিকতাহীন, স্বাৰ্থান্বেষী অনুশীলনে কিছুদিনতে ক্ষুব্ধ কৰি তোলে শ্বাহিদক। অৱশ্যে কেইজনমান স্বাৰ্থান্বেষী লোকৰ এনে অনৈতিক কুচকাৱাজে শ্বাহিদৰ উৎসাহক ভেটা দিব নোৱাৰিলে। ন্যায়ৰ সপক্ষে চলাই নিব খোজা এই যুঁজখনত তেওঁ পৰমুখাপেক্ষী নহৈ সিদ্ধান্ত গ্ৰহণ কৰে নিজাববীয়াভাৱে প্ৰেক্টিচ আৰম্ভ কৰাৰ। নিজাববীয়াভাৱে প্ৰেক্টিচ আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছৰেপৰা শ্বাহিদৰ লক্ষ্য হৈ পৰে সেইসকল তেওঁৰ দৰে দুৰ্ভগীয়া যুৱক, যিয়ে সামান্য দোষৰ দোষী হৈও প্ৰশাসনৰ কুটিল প্ৰৰোচনাত অনাহকত এক গুৰু দোষৰ শাস্তি ভোগ কৰিবলগীয়া হৈছে। শ্বাহিদৰ এই প্ৰচেষ্টাই কিছুদিনৰ ভিতৰতে বহু নিৰপৰাধ যুৱকৰ জীৱনৰ গতি সলাই পেলালে। বিচাৰ প্ৰক্ৰিয়া অস্থিৰতাৰ নামত দিনৰ পিছত দিন অন্ধকাৰ কুঠৰীত জীৱনৰ স্বপ্ন হেৰুৱাই পেলোৱা এই যুৱকসকলৰ বাবে শ্বাহিদ হৈ পৰিল যেন ঈশ্বৰ প্ৰেৰিত এক দূতৰ নাম। আইনৰ অনুশীলনক এক পেছা হিচাপে নলৈ তেওঁ ইয়াক গ্ৰহণ কৰিলে মানৱ সেৱাৰ মাধ্যম হিচাপে। বহুতো অৰ্থ-সামৰ্থ্যহীন যুৱকৰ পৰিয়ালক তেওঁ বিনা পাৰিশ্ৰমিকে ন্যায় প্ৰদান কৰে। সেই যুৱকসকলৰ মাজত চাগে তেওঁ দেখিবলৈ পাইছিল নিজৰ এৰি অহা দিনবোৰৰ প্ৰতিচ্ছবি আৰু সিয়ে চাগে তেওঁক প্ৰোৎসাহিত কৰিছিল তেওঁলোকৰ হৈ মাত মাতিবলৈ। কম দিনৰ ভিতৰতে শ্বাহিদৰ পৰিচয় হৈ পৰিছিল এগৰাকী প্ৰসিদ্ধা মানৱ অধিকাৰ কৰ্মী হিচাপে। এই পৰিচয়ে অৱশ্যে তেওঁলৈ কঢ়িয়াই আনিছিল বিপদৰ বতৰাও। বিভিন্ন জ্ঞাত উৎসৰপৰা তেওঁলৈ আহিবলৈ লৈছিল জীৱনৰ ভাবুকি। কিন্তু নিজৰ লক্ষ্যত অটল শ্বাহিদে সেই সকলোবোৰ অপশক্তিক আওকাণ কৰি নিৰ্ভয়ে আগুৱাই গৈছিল নিজৰ ইপ্সিত লক্ষ্যৰ দিশে। শ্বাহিদৰ নিৰ্ভীকতাই সংগ্ৰামৰ আজিও শেষ হোৱা নাই। আজিও বহু নিৰপৰাধ ব্যক্তিয়ে প্ৰশাসনৰ খামখেয়ালিত জীৱনৰ মূল্যৱান সময়বোৰ ব্যতিত কৰিবলগীয়া হৈছে বন্ধ আৱহাৱাৰ মাজত। সাম্প্ৰতিক সময়ত মুছলিম সংগঠনবোৰ অধিক ৰূপত সক্ৰিয় হৈ উঠাৰ অজুহাতত বহুতো নিৰপৰাধ মুছলিম যুৱকৰ ভাগ্য বন্দী হৈ পৰিছে জেলৰ কুঠৰীবোৰত। কাশ্মীৰত চলা দীৰ্ঘদিনীয়া অস্থিৰতাৰ নামত এনে বহু যুৱকে আশাহত জীৱন কটাবলগা



<u>হংসল মেহতাৰ 'শ্বাহিদ' হৈছে এগৰাকী প্ৰকৃত মানৱপ্ৰেমীলৈ হৃদয়ৰ অন্তঃস্থলৰপৰা জনোৱা শ্ৰদ্ধা আৰু সন্মানৰ নিদৰ্শন। মেহতাৰ সমগ্ৰ ছবিত প্ৰতিফলিত হৈছে শ্বাহিদ আজমী নামৰ যুৱকজনৰ অসামান্য সাহস তথা ইতিবাচক ভাৱধাৰাৰ নিৰ্যাস। মেহতাৰ মতে এয়া অতি আশ্বৰ্যকৰ কথা যে যি আইনী ব্যৱস্থাই শ্বাহিদ আজমী নামৰ যুৱকজনৰ জীৱনটোকেই খেলিমেলি কৰি পেলাইছিল, সেই আইনী ব্যৱস্থাৰ প্ৰতি এই যুৱকজনে কিদৰে এনে গভীৰ আস্থা প্ৰদৰ্শন কৰিব পাৰিছিল।</u>